**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬০৭/২০১৯**

**ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেড সম্পৰ্কত প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট কমিটি অন ইক'ন'মিক এফেয়াৰ্ছে আজি গ্ৰহণ কৰা সিদ্ধান্তক মুখ্যমন্ত্ৰীৰ আদৰণি**

**মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক**

**দিছপুৰ, ২৪ ডিচেম্বৰঃ** ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডক কেমিকেলচ এণ্ড ফাৰ্টিলাইজাৰ মন্ত্ৰণালয়ৰ অধীনস্থ কেমিকেলচ এণ্ড পেট্ৰ'কেমিকেলছ বিভাগৰ পৰা পেট্ৰলিয়াম এণ্ড নেচাৰেল গেছ মন্ত্ৰণালয়ৰ অধীনলৈ অনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি অনুষ্ঠিত কেবিনেট কমিটী অন ইক'ন'মিক এফেয়াৰ্ছে যি সিদ্ধান্ত গ্ৰহণ কৰিলে এই সিদ্ধান্তই ৰাজ্যখনৰ আৰ্থ-সামাজিক উত্তৰণৰ ক্ষেত্ৰত এক বিশেষ দিশৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়। মুখ্যমন্ত্ৰীয়ে এই বলিষ্ঠ সিদ্ধান্তৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় পেট্ৰ'লিয়াম দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক বিশেষ ভাবে ধন্যবাদ জ্ঞাপন কৰে।

তদুপৰি কেবিনেট কমিটী অন ইক'ন'মিক এফেয়াৰ্ছে আজি ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডক ৪,৬০০ কোটি টকাৰ এক প্ৰাক্‌কলিত ফিডষ্টক চাবচিডি ১৫ বছৰ এই প্ৰকল্পটো চলোৱাৰ বাবে প্ৰদানৰ দিশটো অনুমোদন জনাইছে। এই পদক্ষেপে প্ৰকল্পটো নিৰৱচ্ছিন্ন ভাৱে চলোৱাৰ দিশত বিশেষ ভাৱে সহায় কৰাৰ উপৰি অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত তথা আঞ্চলিক বৈষম্য হ্ৰাস কৰাৰ দিশটো ইতিবাচক প্ৰভাৱ পেলাব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

উল্লেখ্য যে অসম চুক্তি অনুসৰি স্থাপিত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেড প্ৰকল্পটো ২০১৬ বৰ্ষৰ ৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰলৈ উৎসৰ্গিত কৰিছিল। এই প্ৰকল্পটো সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে পেট্ৰ'কেমিকেলছৰ এক বৃহৎ প্ৰকল্প। এই প্ৰকল্পই অসমৰ ঔদ্যোগিক ক্ষেত্ৰখনত এক ইতিবাচক বাতাবৰণৰ সূচনা কৰাৰ উপৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে পলিমাৰ উদ্যোগৰ বিকাশৰ দিশটো উল্লেখ্যযোগ্য ভূমিকা গ্ৰহণ কৰিছে। তদুপৰি এই প্ৰকল্পই প্ৰায় ৭০০ গৰাকী লোকলৈ প্ৰত্যক্ষ নিয়োগৰ সুবিধা আগবঢ়োৱাৰ উপৰি প্ৰায় ২,৬০০ লোকলৈ ঠিকা ভিত্তিক নিয়োজনৰ সুবিধা আগবঢ়াইছে। এই প্ৰকল্পই স্থানীয় যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ দিশটো উল্লেখযোগ্য অৰিহণা আগবঢ়াই আহিছে।

মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি অনুষ্ঠিত কেবিনেট কমিটি অন ইক'ন'মিক এফেয়াৰ্ছৰ সিদ্ধান্তক এক বলিষ্ঠ পদক্ষেপ বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰীৰ ৰাজ্যখনৰ প্ৰতি থকা দায়বদ্ধতাৰ দিশটোকে সূচাইছে বুলি কয়।

**বঃভাঃ/পুঃডেঃ/**
**২৪/১২/২০১৯**